**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-11-2024
**Time :** 13-40 Hrs.

## *Assamese Midday Bulletin*
## *Headlines*

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাতৃ দ্বিতীয়া উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২।	কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ, ৰেল আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ দিনযোৰা কাৰ্যসূচীৰে আজি কেৰালাৰ কোচিত উপস্থিত হৈছে।

৩।	সমাগত উৎসৱৰ বতৰত যাত্ৰীৰ সম্ভাব্য ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় ৰে'লৱেই ৭,৫০০ খন বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে।

৪।	ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ড ২৫ ৰাণত জয়ী হৈ ৩-০ ফলাফলত শৃংখলা হস্তগত কৰিছে। ***আৰু***

৫।	হাইলো অপেন বেডিমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ভাৰতৰ মালৱিকা বন্সোড়ে ফাইনেলত প্ৰৱেশ কৰিছে।

000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাতৃ দ্বিতীয়া উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে পবিত্ৰ ভাতৃ দ্বিতীয়াই ভাই ভনীসকলৰ মাজৰ মৰম চেনেহৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহেও ভাতৃ দ্বিতীয়া উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে এই উৎসৱে সকলোৰে জীৱনলৈ প্ৰেম, সমৰ্পন আৰু সুখ সমৃদ্ধি কঢ়িয়াই আনিব বুলি কামনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও এই উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ইস্তাহাৰ সংকল্প পত্ৰ মুকলি কৰে। এই উপলক্ষে ভাষণ দি শ্ৰীশ্বাহে কয় যে, বিজেপি ক্ষমতালৈ আহিলে ঝাৰখণ্ডত উমৈহতীয়া দেৱানী বিধি কাৰ্যকৰী হব আৰু জনজাতীয় লোকসকল এই বিধি আওতাৰ বাহিৰত থাকিব। তেওঁ কয় যে, ৰাজ্যখনৰ জনগাঁথনি সলনি হোৱাৰ বাবে চন্থল পৰগনা অঞ্চলৰ পৰা বাংলাদেশীৰ অনুপ্ৰৱেশ নিৰীক্ষণৰ বাবে নিয়ম বান্ধি দিয়া হ'ব। শ্ৰীশ্বাহে কয় যে অনুপ্ৰৱেশকাৰীয়ে জনজাতীয় মহিলাক বিয়া কৰাই তেওঁলোকৰ পৰা মাটি কাঢ়ি লোৱাও পৰিলক্ষিত হৈছে। তেওঁ কয় যে আইন প্ৰস্তুত কৰাৰ পাছত জনজাতীয় লোকৰ ভূমি ঘূৰাই দিয়া হব। শ্ৰীশ্বাহে লগতে কয় যে ৰাজ্যখনৰ প্ৰতিগৰাকী মহিলাক **গগো দিদি** আঁচনিৰ অধীনত প্ৰতিমাহে দুহেজাৰ এশ টকা দিয়া হ'ব। সকলো পৰিয়ালকে ৫০০ টকা ব্যয়েৰে এল পি জি চিলিণ্ডাৰ প্ৰদান কৰা হ'ব আৰু দীপাৱলী তথা ৰাখী বন্ধন উপলক্ষে দুটাকৈ বিনামূলীয়া চিলিণ্ডাৰ প্ৰদান কৰা হ'ব বুলিও শ্ৰীশ্বাহে প্ৰকাশ কৰে। ৫ বছৰৰ ভিতৰত ৫ লাখ কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰাৰ লগতে ২ লাখ ৮৭ হাজাৰ চৰকাৰী খালী পদ সময়মতে পূৰণ কৰা হব বুলিও মন্ত্ৰী শ্বাহে প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ, ৰেল আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ দিনযোৰা কাৰ্যসূচীৰে আজি কেৰালাৰ কোচিত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত ৰেল আন্তগাথনি, অমৃত ভাৰত আৰু ৰূপায়ণ হৈ থকা ষ্টেছন পুনৰ বিকশিতকৰণ প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে বিশেষ ৰেলগাড়ীৰে আলুৱাৰ পৰা কোঝিকোড়ে পৰ্যন্ত পথছোৱা পৰিদৰ্শন কৰে। কোঝিকোড়ে ৰেল ষ্টেছনত মন্ত্ৰীগৰাকীয়ে পালাক্কাৰ ৰেল সংমণ্ডলৰ অধীনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ সন্দৰ্ভত আন এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়। মন্ত্ৰীগৰাকীয়ে আজি কোঝিকোড়েত সাপ্তাহিক জন্মভূমিৰ সোণালী জয়ন্তী উদ্‌যাপনৰ অংশ হিচাপে আয়োজিত জ্ঞান উৎসৱো মুকলি কৰিব।

০০০

পৰিবেশ ৰাজ্যমন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে কলম্বিয়াত অনুষ্ঠিত চিঅ'পিৰ ষষ্ঠদশ বৈঠকত ভাৰতৰ উন্নীত ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ ৰণনীতি আৰু কাৰ্যপৰিকল্পনা- এন বি এছ এ পি মুকলি কৰে। এন বি এছ এ পি মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত ভাৰতৰ সম্পূৰ্ণ চৰকাৰ আৰু সম্পূৰ্ণ সমাজৰ দৃষ্টিকোণ সন্দৰ্ভত আলোকপাত কৰে। ইয়াৰ অধীনত পৰিবেশৰ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহ আৰু সেইসমূহৰ সৈতে যুঁজ দিয়াৰ ৰণনীতি প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰি পৰিবেশতন্ত্ৰ বাহাল ৰখা, প্ৰজাতিসমূহৰ পুনৰ উদ্ধাৰ কাৰ্যসূচী আৰু সম্প্ৰদায় পৰিচালিত সংৰক্ষণৰ প্ৰয়াস আদিৰ জৰিয়তে সমস্যাসমূহৰ সমাধানৰ  প্ৰচেষ্টা চলোৱা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে, উন্নীত জৈৱ বৈচিত্ৰ ৰণনীতিয়ে অৱনমিত পৰিবেশতন্ত্ৰ উদ্ধাৰ কৰা, আদ্ৰভূমিৰ সুৰক্ষা আৰু সামুদ্ৰিক তথা উপকূলীয় অঞ্চলসমূহৰ স্থায়ী ব্যৱস্থাপনা সন্দৰ্ভত  আলোকপাত কৰে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

সমাগত উৎসৱৰ বতৰত যাত্ৰীৰ সম্ভাব্য ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় ৰে'লৱেই ৭,৫০০ খন বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। ৰেল বিভাগে আজিৰ দিনটোত দিল্লী-ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ পৰা প্ৰায় ২০ খন উৎসৱ বিশেষ ৰেলগাড়ী কামাখ্যা, দৰভংগা, ৰাছী, পাটনা, কাটৰা, মুজফ্‌ফৰপুৰ, বলিয়া আৰু আজমগড় আদি ঠাইলৈ চলোৱাৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিবছৰে উৎসৱৰ বতৰত ৰেল বিভাগে যাত্ৰীসকলক সৰল যাত্ৰাৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে বিশেষ ৰেলগাড়ী চলাচলৰ ব্যৱস্থা কৰি আহিছে। এইবাৰ এই বিশেষ ৰেলগাড়ীৰ সংখ্যা যোৱা বছৰৰ তুলনাত ২ হেজাৰ  ৮০০ খনলৈ বৃদ্ধি পাইছে। যোৱা বছৰ এই সময়ছোৱাত ৪ হাজাৰ ৫০০ খন এনে বিশেষ ৰেল চলাচলৰ ব্যৱস্থা কৰা হৈছিল।

০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে অষ্ট্ৰেলিয়া আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত ড০ জয়শংকৰ ব্ৰীছবেনলৈ যাব আৰু অষ্ট্ৰেলিয়াত ভাৰতৰ চতুৰ্থটো বাণিজ্যিক দূতাবাস মুকলি কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱঙৰ সৈতে কেনবেৰাত হ'বলগীয়া মন্ত্ৰীপৰ্যায়ৰ পঞ্চদশ

পৰিকাঠামো বৈঠকত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰীগৰাকীয়ে অষ্ট্ৰেলিয়াৰ সংসদ ভৱনত হ'বলগীয়া দ্বিতীয় ৰাইছিনা ডাউন আণ্ডাৰ সন্মিলনৰ উদ্বোধনী সত্ৰতো মূল ভাষণ প্ৰদান কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ নেতৃবৰ্গ, সাংসদ, প্ৰবাসী ভাৰতীয়, আগশাৰীৰ ব্যৱসায়ী আৰু অন্য বিশিষ্ট ব্যক্তিসকলৰ সৈতেও মত বিনিময় কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ড০ জয়শংকৰ ৮ নৱেম্বৰত ছিংগাপুৰত উপস্থিত হ'ব। তাত তেওঁ আছিয়ান-ভাৰত উপদেষ্টা বিশেষজ্ঞ গোটৰ অষ্টম ঘূৰণীয়া মেজমেলক সম্বোধন কৰিব। তেওঁ লগতে দুয়ো দেশৰ মাজৰ ঘনিষ্ঠ সহযোগিতাৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে ছিংগাপুৰৰ নেতৃবৰ্গক সাক্ষাৎ কৰি দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উপায় অন্বেষণ কৰিব।

০০০

চত্তিশগড়ৰ চুকমা জিলাত আজি মাওবাদীৰ আক্ৰমনত দুজন আৰক্ষী কণিষ্ঠবল আহত হৈছে। জিলাখনৰ জাগৰগুণ্ডা চহৰত সাপ্তাহিক বজাৰত কৰ্তব্যৰত অৱস্থাত থকা জোৱানকেইজনক মাওবাদীয়ে আক্ৰমণ কৰি আহত কৰে বুলি জানিব পৰা গৈছে। আহত জোৱানকেইজনক প্ৰাথমিক চিকিৎসা প্ৰদানৰ পাছতে উন্নত চিকিৎসাৰ বাবে বিমানেৰে লৈ যোৱা হয়। এই ঘটনাৰ পাছত অঞ্চলটোত তালাচী অভিযান অধিক বৃদ্ধি কৰা হৈছে।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰতৰ আত্মনিৰ্ভৰ অভিযানে আশা কৰা ধৰণৰ ফল দিছে আৰু দেশৰ প্ৰতিৰক্ষা ৰপ্তানি ২০২৯-৩০ বৰ্ষৰ ভিতৰত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান কানপুৰৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস সমাৰোহত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে যুৱক-যুৱতীসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ সপোন বাস্তবায়িত কৰাৰ বাবে থলুৱাভাৱে অত্যাধুনিক প্ৰযুক্তি বিকশাই তুলিবলৈ আহ্বান জনায়। অত্যাধুনিক প্ৰযুক্তিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে যুৱ অভিযন্তাসকলক নিজৰ সমাৰ্থৰ প্ৰয়োগ কৰি অত্যাধুনিক প্ৰযুক্তি বিকশাই তুলিবলৈ আৰু দেশৰ প্ৰগতিত অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

০০০

ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোয়ে লাডাখৰ লেহত দেশৰ প্ৰথম এনালগ মহাকাশ অভিযান আৰম্ভ কৰিছে। অদূৰ ভৱিষ্যতে ভাৰতে চন্দ্ৰলৈ মানুহ প্ৰেৰণ কৰাৰ পৰিকল্পনাৰ বাবে ইছৰোৰ এই পদক্ষেপে বিশেষ তাৎপৰ্য বহন কৰিছে। এনালগ মহাকাশ অভিযান হৈছে মহাকাশৰ পৰিৱেশৰ সৈতে ভৌতিক সাদৃশ্য থকা কোনো এটা স্থানত চলোৱা ক্ষেত্ৰ পৰীক্ষা। লাডাখৰ ভৌগোলিক বৈশিষ্ট্য, শুকান আৰু ঠাণ্ডা জলবায়ু, বন্যাৰ্ত ভূমি, উচ্চতাত অৱস্থিত ভূখণ্ড আদিৰ মংগল গ্ৰহ আৰু চন্দ্ৰৰ ভূ–প্ৰকৃতিৰ সৈতে ওতঃপ্ৰোত মিল থকা বুলি ধাৰণা কৰা হৈছে। ভাৰতে চন্দ্ৰত বসতি স্থাপনৰ পৰিকল্পনা কৰাৰ পিছতে এই মাহজোৰা অভিযান চলোৱা হৈছে। এই অভিযানত হাব–১ নামৰ এটা বিশেষ বাসগৃহ অন্তৰ্ভুক্ত কৰা হৈছে যত হাইড্ৰ'পনিক্স ফাৰ্ম, পাকঘৰ, আৰু অনাময় ব্যৱস্থাৰ দৰে অত্যাৱশ্যকীয় সুবিধাসমূহ সংলগ্ন কৰা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ইছৰো কৰ্তৃপক্ষই কয় যে হিউমেন স্পেচফ্লাইট চেন্টাৰ, ইছৰো, আকা স্পেচ ষ্টুডিঅ', লাডাখ বিশ্ববিদ্যালয়, আই আই টি বম্বে আৰু লাডাখ স্বায়ত্তশাসিত পাহাৰ উন্নয়ন পৰিষদৰ সহযোগত লেহত এই মহাকাশ অভিযান আৰম্ভ কৰা হৈছে। সমুদ্ৰপৃষ্ঠৰ পৰা ৩০০০ মিটাৰতকৈও অধিক উচ্চতাত থকা লাডাখত অক্সিজেনৰ মাত্ৰা মাত্ৰ ৪০ শতাংশ। কম চাপ আৰু কম অক্সিজেনৰ পৰিৱেশে

গৱেষকসকলক মংগল গ্ৰহৰ দৰে পৰিস্থিতিত জীৱন সমৰ্থন ব্যৱস্থাৰ মূল্যায়ন কৰিবলৈ সুযেগ প্ৰদান  কৰে।

০০০

হাইলো অপেন বেডিমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ভাৰতৰ মালৱিকা বন্সোড়ে ফাইনেলত প্ৰৱেশ কৰিছে। জাৰ্মানীত আজি হবলগীয়া ফাইনেলত মালৱিকাই ডেনমাৰ্কৰ সপ্তম বাছনিপ্ৰাপ্ত মিয়া ব্লিছফেল্টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত ছেমিফাইনেলত ডেনমাৰ্কৰ জুলী ডাবল জেকবছেনক ২৩-২১, ২১-১৮ গেমত পৰাস্ত কৰে।

০০০

সমাপ্ত